আল্লাহে সঠিক সৰল তথা পোন পথৰ এটা দৃষ্টান্ত দাঙি ধৰিছে

নাওৱাছ বিন ছামআন আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে সঠিক সৰল তথা পোন পথৰ এটা দৃষ্টান্ত দাঙি ধৰিছে: যিটো পথক দুয়োফালে দুখন বেৰেৰে আগুৰি আছে, দুয়োখন বেৰত কেইবাখনো
খোলা দুৱাৰ আছে যিবোৰ পৰ্দাৰে আবৃত। পথৰ আৰম্ভণিতে এজন আহ্বানকাৰীয়ে (লোকসকলক) আহ্বান কৰি কয়- হে লোকসকল, তোমালোক সকলোৱে পোন পথেৰে আগুৱাই যোৱা, পথৰ পৰা বিচ্যুত নহ’বা তথা বক্ৰপথ অৱলম্বন নকৰিবা। আনহাতে সেই পথৰ ওপৰতো আছে এজন আহ্বানকাৰী, যেতিয়াই কোনো ব্যক্তিয়ে সেই দুৱাৰসমূহৰ যিকোনো এখন খুলিব বিচাৰে তেতিয়াই তেওঁ সেই ব্যক্তিক সকীয়াই দি কয়: সৰ্বনাশ! ‘ধিক তোমাৰ ওপৰত! এইখন নুখুলিবা, কিয়নো খুলিলেই তাত প্ৰৱেশ কৰিবা (আৰু পথভ্ৰষ্ট হৈ যাবা)।' (ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ ব্যাখ্যা কৰি কৈছে) পথটোৰ দ্বাৰা বুজোৱা হৈছে ইছলামক, দেৱাল দুখনৰ দ্বাৰা বুজোৱা হৈছে আল্লাহে নিৰ্ধাৰণ কৰা সীমাৰেখা, আৰু উন্মুক্ত দুৱাৰৰ দ্বাৰা বুজোৱা হৈছে আল্লাহৰ নিষেধকৃত বস্তুবোৰক। পথৰ আৰম্ভণিত
থকা আহ্বানকাৰীৰ দ্বাৰা বুজোৱা হৈছে আল্লাহৰ কিতাবক, আনহাতে পথৰ ওপৰত থকা আহ্বানকাৰীৰ দ্বাৰা বুজোৱা হৈছে প্ৰতিজন মুছলিমৰ হৃদয়ত থকা আল্লাহৰ ফালৰ পৰা নিয়োজিত উপদেষ্টাক।
[ছহীহ] [(তিৰমিজী, আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, মহান আল্লাহে পোন তথা সৰল পথৰ জৰিয়তে ইছলামৰ এটা উদাহৰণ দাঙি ধৰিছে, যি পথত কোনো বক্ৰতা নাই। যিটো পথৰ দুয়োকাষে দেৱাল আছে, যি দেৱালে দুয়ো ছাইডক আগুৰি আছে, সেই দেৱাল দুখন হৈছে আল্লাহৰ সীমাৰেখা। দুয়োখন দেৱালত কিছুমান উন্মুক্ত দুৱাৰ আছে, সেইবোৰ হৈছে আল্লাহে নিষেধ কৰা বিষয়সমূহ। সেই দুৱাৰসমূহত আঁৰি থোৱা আছে পৰ্দা, যাৰ ফলত অহা যোৱা কৰা লোকসকলে গম নাপায় ভিতৰত কি আছে। পথৰ আৰম্ভণিতে আছে এজন আহ্বায়ক, যিয়ে মানুহক সতৰ্ক কৰে আৰু সিহঁতক সঠিক পথৰ দিশনিৰ্দেশনা দিয়ে আৰু সিহঁতক কয়ঃ এই পোন পথেৰে যোৱা, সোঁৱে বাওঁৱে যোৱাৰ চেষ্টা নকৰিবা। এই আহ্বায়কৰ দ্বাৰা বুজোৱা হৈছে আল্লাহৰ কিতাবক। সেই পথৰ ওপৰতো আছে এজন আহ্বায়ক, যেতিয়াই কোনো ব্যক্তিয়ে সেই দুৱাৰসমূহৰ পৰ্দা গুচাই চাব বিচাৰে তেতিয়াই তেওঁ তাক ভৰ্ৎসনা কৰি কয়ঃ সৰ্বনাশ, ধিক তোমাৰ প্ৰতি, সেইটো নুখুলিবা, খুলিলেই তাত সোমাই যাবা, নিজকে ৰক্ষা কৰিব নোৱাৰিবা। এই আহ্বায়কৰ দ্বাৰা বুজোৱা হৈছে প্ৰতিজন মুমিনৰ অন্তৰত থকা সেই চেতনাক, যি চেতনাই তাক পাপকৰ্মৰ পৰা বিৰত ৰখাৰ উপদেশ দিয়ে।

http://www.sunnah.global/hadeeth/as/show/65049